# জনসংযোগ, অসম
# মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ২/২০২০**

## গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া তৃতীয় খেলো ইণ্ডিয়া য়ুথ গেমছৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## ক্ৰীড়া প্ৰতিযোগিতাখন সৰ্বতোপ্ৰকাৰে সফল কৰাৰ দিশত যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৩ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি সৰুসজাই ক্ৰীড়া প্ৰকল্পত তৃতীয় খেলো ইণ্ডিয়া য়ুথ গেমছৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। উল্লেখ্য যে এই ক্ৰীড়া প্ৰতিযোগিতাখন অহা ১০ জানুৱাৰীৰ পৰা আৰম্ভ হ'ব।

পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীয়ে আয়োজক সমিতিক এই বৃহৎ ক্ৰীড়াখন সকলো দিশতে সাফল্যমণ্ডিত কৰাৰ দিশত সকলো প্ৰকাৰৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে আজিৰ এই পৰ্যালোচনা বৈঠকতে এই ক্ৰীড়াই উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতিৰো পৰ্যালোচনা কৰে। উদ্বোধনী অনুষ্ঠানত ৰাজ্যখনৰ বাৰেৰহণীয়া সামাজিক-সাংস্কৃতিক দিশৰ উজ্জ্বল প্ৰতিচ্ছবি দাঙি ধৰাৰ দিশত যথোপযুক্ত ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে এই ক্ৰীড়া আয়োজনৰ দিশত গ্ৰহণ কৰা সুৰক্ষা ব্যৱস্থা, থকা, পৰিৱহন, খাদ্য, স্বাস্থ্য সেৱা আৰু অনাময়, চিকিৎসা সা-সুবিধা দিশ সমূহো পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে এই ক্ৰীড়াত অংশ গ্ৰহণ কৰিবলগীয়া দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰতিযোগী সকলৰ অভিভাৱক সকলৰ বাবেও থকা-খোৱাৰ সুন্দৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে নিৰ্দেশ দিয়ে। উল্লেখ্য যে এই ক্ৰীড়াত অংশ গ্ৰহণ কৰিবলগীয়া ৬৫০০ গৰাকী প্ৰতিযোগী, ১০০০ গৰাকী কাৰিকৰী কৰ্মী, ২৫০০ গৰাকী সহযোগী কৰ্মীৰ থকা-খোৱাৰ বাবে মহানগৰীৰ ১৭০ খন হোটেলত ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে প্ৰদূষণৰ সমস্যা নিৰাময়ৰ বাবে এই ক্ৰীড়াত অংশ গ্ৰহণ কৰা বিভিন্ন প্ৰতিযোগীক বিভিন্ন ক্ৰীড়াঙ্গনলৈ নিয়াৰ দিশত বিদ্যুৎ চালিত বাছ সেৱাৰ ব্যৱস্থা কৰাৰ বাবেও আয়োজক সমিতিক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে খেলো ইণ্ডিয়া য়ুথ গেমছৰ দিশত দেশৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থানত উপযুক্ত প্ৰচাৰ চলোৱাৰ ব্যৱস্থা কৰিবলৈ আয়োজক সমিতিক নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে এই ক্ৰীড়াৰ বা-বাতৰি সংগ্ৰহৰ বাবে আহিবলগীয়া বিভিন্ন ৰাজ্যৰ সাংবাদিক সকলৰ বাবে ৰখা সা-সুবিধা সমূহৰো বুজ লয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে অসমত যিহেতুকে খেলো ইণ্ডিয়া য়ুথ গেমছ প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ব সেয়েহে এই ক্ৰীড়াখন সৰ্বতো প্ৰকাৰে সফল কৰাৰ বাবে সকলোৱে মিলিত প্ৰচেষ্টা চলাব লাগিব। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ জনসাধাৰণকো এই ক্ৰীড়াখন সফল কৰাৰ বাবে সকলো ধৰণৰ সহায়-সহযোগ আগবঢ়োৱাৰ বাবে আহ্বান জনায়। এই ক্ৰীড়াই গুৱাহাটীক দেশৰ ক্ৰীড়া ৰাজধানী হিচাপে গঢ়ি তোলাৰ দিশত বৃহৎ বৰঙণি যোগাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য সচিব লক্ষ্য কোঁৱৰ, তৃতীয় খেলো ইণ্ডিয়া যুথ গেমছৰ মুখ্য কাৰ্যবাহী বিষয়া অবিনাশ যোশী, যুটীয়া মুখ্য কাৰ্যবাহী বিষয়া ড° এম অংগমুথ আৰু এম এছ মনিৰন্নন, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সচিব নীৰা গগৈ সোণোৱাল, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান এছ এন সিং আৰু জি পি সিং, কাৰিকৰী বিষয়া তথা অন্যান্য চৰকাৰী বিষয়াবৰ্গ উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**৩/১/২০২০**